**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

**0000**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পিপ্ৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব।

২। দেশত অহা বছৰ ১৫ আগষ্টৰ পৰা বুলেট ট্ৰেইন চলাচলৰ সম্ভাৱনা আছে বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে।

৩। পশ্চিম বংগ চৰকাৰে ২০১০ চনৰ পাছত প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণ-পত্ৰ বৈধ পৰিচয়ৰ নথি হিচাপে গণ্য কৰা নহ'ব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

৪। নৱবৰ্ষৰ উদযাপনৰ সময়ত ছুইজাৰলেণ্ডৰ এখন ৰিজৰ্টত কালি সংঘটিত অগ্নিকাণ্ডত কমেও ৪০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়।

*আৰু*

৫। অহা ৪ জানুৱাৰীৰ পৰা চেন্নাই বন্দৰত একাদশ ভাৰত আন্তঃৰাষ্ট্ৰীয় যুৱ ছেইলিং চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীৰ ৰায় পিথোৰা সাংস্কৃতিক চৌহদত পবিত্ৰ পিপ্ৰাহৱা অৱশেষৰ প্ৰদৰ্শনী উদ্বোধন কৰিব। উনবিংশ শতিকাৰ শেষ ভাগত আৱিস্কৃত পিপ্ৰাহৱা অৱশেষ শাক্য বংশৰ প্ৰতিষ্ঠাতা গৌতম বুদ্ধৰ সৈতে জড়িত বুলি বিশ্বাস প্ৰচলিত হৈ আহিছে। এই অৱশেষৰ স্বদেশলৈ প্ৰত্যাৱৰ্তন আৰু ৰাজহুৱা প্ৰদৰ্শনীয়ে দেশৰ সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু বুদ্ধৰ শিকণিসমূহত নিহিত শান্তি, কৰুণা আৰু জ্ঞানৰ সাৰ্বভৌম প্ৰমূল্যৰাজি প্ৰসাৰৰ নিৰন্তৰ প্ৰচেষ্টাকে প্ৰতিফলিত কৰে।

সাংস্কৃতিক মন্ত্ৰালয়ে এই প্ৰদৰ্শনীক দেশৰ সাংস্কৃতিক আৰু কূটনৈতিক ইতিহাসৰ এটা উল্লেখযোগ্য ক্ষণ বুলি অভিহিত কৰিছে। বিশ্বৰ বৌদ্ধ ধৰ্মাৱলম্বী লোকসকলে এই অৱশেষক বিশেষ সন্মান দি আহিছে। সাংস্কৃতিক মন্ত্ৰালয়ে পদ্মালোকঃ আধ্যাত্মিকভাৱে জাগ্ৰত ব্যক্তিৰ অৱশেষ নামেৰে আয়োজন কৰা এই সাস্কৃতিক প্ৰদৰ্শনীত পিপ্ৰাহৱা অৱশেষৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০০০

দেশত অহা বছৰ ১৫ আগষ্টৰ পৰা বুলেট ট্ৰেইন চলাচলৰ সম্ভাৱনা আছে বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে। আহমেদাবাদ আৰু মুম্বাই সংযোগী দেশৰ প্ৰথম বুলেট ট্ৰেইন প্ৰকল্প নিৰ্মীয়মান অৱস্থাত আছে। শ্ৰী বৈষ্ণৱে কয়, যে মহাৰাষ্ট্ৰৰ পালঘৰৰ ৱিৰাৰ আৰু বইচাৰ সংযোগী প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ সুৰংগ ৰে'লপথছোৱাৰ নিৰ্মাণে গুৰুত্বপূৰ্ণ মাইলৰ খুঁটিত উপনীত হৈছে। পালঘৰত ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে দ্ৰুততম টানেল ব্ৰেক থ্ৰ' কাৰ্যসূচীত অংশ লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পত পাহাৰৰ তলেৰে ৭ টা সুৰংগ আৰু সমুদ্ৰৰ তলেৰে এটা সুৰংগ পথ আছে। বুলেট ট্ৰেইনৰ সেৱাই মধ্যবিত্ত লোকসকলক সুলভ আৰু সুচল পৰিবহণৰ সুবিধা প্ৰদান কৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

বাইট

দেশৰ বিভিন্ন ঠাইৰ পৰা পৰ্যায়ক্ৰমে বুলেট ট্ৰেইন সেৱা আৰম্ভ হ'ব বুলি উল্লেখ কৰি শ্ৰী বৈষ্ণৱে কয়, যে এই প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ অধীনত চুৰাট-বিলিম'ৰা সংযোগী পথচোৱা মুকলি কৰা হ'ব আৰু ইয়াৰ পাছতে ৱাপীৰ পৰা চুৰাট সংযোগী দ্বিতীয় পৰ্যায়ৰ পথচোৱা উদ্বোধন কৰা হ'ব।

তেওঁ কয়, যে ২০২১ চনৰ এপ্ৰিলত আৰম্ভ হোৱা মুম্বাই-আহমেদাবাদ সংযোগী বুলেট ট্ৰেইন প্ৰকল্প অহা বছৰ সম্পূৰ্ণ হ'ব। ৫০৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ দ্ৰুতবেগী ৰে'ল কৰিড'ৰত মুঠ ১২ টা ষ্টেচন থাকিব। এই ৰে'ল কৰিডৰে সবৰমতী, আহমেদাবাদ, আনন্দ, বদোদৰা, ভাৰুচ, চুৰাট, বিলিম'ৰা, ভাপি, বইচাৰ, বিৰাৰ, থানে আৰু মুম্বাইকে ধৰি গুৰুত্বপূৰ্ণ চহৰসমূহক সংযোজিত কৰিব।

০০০০০০০০০

২০১০ চনৰ পাছত পশ্চিম বংগ চৰকাৰে প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণ-পত্ৰ ভোটাৰ তালিকাৰ বিশেষ পুংখানুপুংখ সংশোধনীৰ সৈতে জড়িত নিৰ্বাচনী তালিকাৰ খচৰাৰ দাবী আৰু আপত্তি সন্দৰ্ভত শুনানিৰ সময়ত বৈধ সমৰ্থনকাৰী পৰিচয়ৰ নথি হিচাপে গণ্য কৰা নহ'ব বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ২০২৫ চনৰ ২৪ ডিচেম্বৰত কলিকতা উচ্চ ন্যায়ালয়ে ২০১০ চনৰ পৰা ২০২৪ চনৰ ভিতৰত ১১৩টা সম্প্ৰদায়ক প্ৰদান কৰা অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰ বাতিল কৰাৰ পাছতেই এই পদক্ষেপ গ্ৰহণ কৰা হয়। আদালতে শ্ৰেণী বিভাজন প্ৰক্ৰিয়াৰ হোৱা পদ্ধতিগত অনিয়মৰ বাবে প্ৰমাণপত্ৰসমূহৰ আইনী বৈধতা নাই বুলি ৰায় দিয়ে। আদালতৰ এই ৰায়ৰ পাছতে পশ্চিমবংগৰ মুখ্য নিৰ্বাচনী বিষয়াই সকলো জিলা নিৰ্বাচনী বিষয়ালৈ নিৰ্বাচনী তালিকাৰ বিশেষ পুনৰীক্ষণ সংশোধনী এনে প্ৰমাণপত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব বুলি নিৰ্দেশ দিয়ে। নিৰ্বাচন আয়োগে এই কথা স্পষ্ট কৰি দিয়ে যে অন্যান্য পিছপৰা সম্প্ৰদায়ৰ লোকসকল যোগ্য ভোটাৰ হিচাপে বিবেচিত হ'লেও ২০১০ চনৰ পাছত তেওঁলোকৰ অন্যান্য পিছপৰা শ্ৰেণীৰ প্ৰমাণপত্ৰই নিৰ্বাচনী বিষয়াক পৰিচয় বা সম্প্ৰদায়ৰ মৰ্যাদাৰ প্ৰমাণ হিচাপে কোনো গুৰুত্বপূৰ্ণ নথিৰূপে অন্তৰ্ভুক্ত নহয়।

০০০০০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধীকৰণে পহিলা ফেব্ৰুৱাৰীৰ পৰা নতুন ফাষ্ট টেগ জাৰি কৰাৰ বাবে 'আপোনাৰ বাহনখনক জানক' KYV কাৰ্ডৰ প্ৰচলন বন্ধ কৰা হ'ব বুলি ঘোষণা কৰিছে। পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, ঘাইপথেৰে অহা-যোৱা কৰা লোকৰ সুবিধা আৰু ফাষ্ট টেগ সক্ৰিয়কৰণৰ পৰৱৰ্তী পৰ্যায়ৰ সমস্যা দূৰ কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। অকল অভিযোগ লাভ কৰা বিশেষ ঘটনাৰ ক্ষেত্ৰতহে KYV কাৰ্ড প্ৰয়োজন হ'ব বুলি মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে। কোনো ধৰণৰ অভিযোগ নাথাকিলে বৰ্তমানৰ ফাষ্ট টেগৰ বাবে KYV কাৰ্ড জৰুৰী নহ'ব।

০০০০০০

ছুইজাৰলেণ্ডৰ ক্ৰেন্স-মণ্টানা অঞ্চলত এখন ৰিজৰ্টত নৱবৰ্ষৰ উদযাপনৰ সময়তে কালি সংঘটিত অগ্নিকাণ্ডত কমেও ৪০ জন লোকৰ মৃত্যু হোৱাৰ লগতে ভালেসংখ্যক লোক আহত হয়। ছুইজাৰলেণ্ডত থকা ভাৰতীয় দূতাবাসে এই ঘটনাত শোক প্ৰকাশ কৰি দিয়া এটা বাৰ্তাত এই দুঃসময়ত ভাৰত ছুইচ চৰকাৰ আৰু ইয়াৰ জনসাধাৰণৰ সৈতে আছে বুলি উল্লেখ কৰে।

০০০০০০০০০

উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ভ্ৰমনকালত উপৰাষ্ট্ৰপতিগৰাকীয়ে চেন্নাই আৰু ভেল্লোৰত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। উপ ৰাষ্ট্ৰপতিগৰাকীয়ে আজি চেন্নাইৰ ড° এম জি আৰ শৈক্ষিক আৰু গৱেষণা প্ৰতিষ্ঠান বিশ্ববিদ্যালয়ত সমাৱৰ্তন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে ৰাম নাথ গোৱেংকা সাহিত্য সন্মান অনুষ্ঠানতো উপস্থিত থাকিব। চি পি ৰাধাকৃষ্ণণে কাইলৈ ভেল্লোৰত এটা অনুষ্ঠানত ভাগ ল'ব আৰু চেন্নাইত নৱম সিদ্ধ দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে নায়াৰ সেৱা সমাজৰ প্ৰতিষ্ঠাপক মান্নাটু পদ্মনাভনৰ জন্মবাৰ্ষিকীত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে দূৰদৰ্শী ব্যক্তি পদ্মনাভনে প্ৰকৃত প্ৰগতি, সামাজিক সংস্কাৰ, মৰ্যাদা আৰু সমতাৰ সৈতে জড়িত বুলি বিশ্বাস কৰিছিল। শ্ৰী মোদীয়ে স্বাস্থ্য, শিক্ষা, মহিলা সৱলীকৰণৰ দৰে খণ্ডসমূহত পদ্মনাভনৰ প্ৰচেষ্টাক অনুপ্ৰেৰণাদায়ক বুলি মন্তব্য কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে মান্নাটু পদ্মনাভনক এগৰাকী সমাজ সংস্কাৰক আৰু দেশপ্ৰেমী বুলি উল্লেখ কৰি কয়, যে তেওঁ কেৰালাত সামাজিক মূল্যবোধ শক্তিশালী কৰাৰ বাবে জীৱন উচৰ্গা কৰিছিল। শ্ৰী শ্বাহে কয়, যে সামাজিক বৈষম্য দূৰ কৰি এখন নিকা আৰু সমভাৱাপন্ন সমাজ গঢ়াৰ ক্ষেত্ৰত পদ্মনাভনৰ প্ৰচেষ্টা দেশবাসীৰ বাবে সদায় প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

০০০০০০০০০

টাইৱানৰ ৰাষ্ট্ৰপতি লাই চিং-টেই কয় যে চীনৰ ক্ৰমাগত আগ্ৰাসন প্ৰতিৰোধৰ বাবে দ্বীপ ৰাষ্ট্ৰখনে নিজৰ সাৰ্বভৌমত্ব ৰক্ষা আৰু প্ৰতিৰক্ষা বৃদ্ধিৰ বাবে দৃঢ়প্ৰতিজ্ঞ। শেহতীয়াভাৱে বেইজিঙে সামৰিক অনুশীলনৰ বাবে টাইৱানৰ ফালে ৰকেট নিক্ষেপ কৰাৰ

পাছতেই এই কথা প্ৰকাশ পাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে আন্তঃৰাষ্ট্ৰীয় সমাজে চীনৰ এই আগ্ৰাসী কাৰ্য প্ৰত্যক্ষ কৰিছে আৰু টাইৱানী জনসাধাৰণে নিজৰ সুৰক্ষাৰ বাবে সংকল্প লোৱাৰ দিশটোতো দৃষ্টি ৰাখিছে। তেওঁ কয় যে ৰাষ্ট্ৰপতি হিচাপে তেওঁৰ স্থিতি স্পষ্ট আৰু দেশখনৰ সাৰ্বভৌমত্ব ৰক্ষাৰ প্ৰতি তেওঁ দায়বদ্ধ। তেওঁ কয় যে ২০২৬ বৰ্ষটো টাইৱানৰ বাবে এটা জটিল বছৰ হ'ব আৰু টাইৱানে নিজৰ উৎকৃষ্টতাৰ বাবে সকলো প্ৰচেষ্টা গ্ৰহণ কৰিব বুলি তেওঁ আশাবাদী।

০০০০০০

ইকুৱেডৰৰ ৰাষ্ট্ৰপতি ডেনিয়েল নোবোয়াই দেশখনৰ ৯খন প্ৰদেশ আৰু তিনিখন পৌৰসভাত ৬০ দিনৰ জৰুৰীকালীন অৱস্থা ঘোষণা কৰিছে। দেশখনত অপৰাধমূলক হিংসা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত গুৰুতৰ আভ্যন্তৰীণ সমস্যাৰ সৃষ্টি হোৱাৰ ফলতেই এই জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই ৬০ দিনীয়া জৰুৰীকালীন সময়ছোৱাত হিংসাত্মক ঘটনা হ্ৰাস আৰু নিয়ন্ত্ৰণ  কৰাৰ লগতে অপৰাধমূলক আন্তঃগাঁথনি ভাঙি পেলোৱাৰ লক্ষ্য লোৱা হৈছে।

ৰাষ্ট্ৰপতিগৰাকীয়ে যোৱা বুধবাৰে স্বাক্ষৰ কৰা এই ঘোষণাপত্ৰ কালিৰে পৰা উপকূলীয় অঞ্চলৰ গায়েনা, মানাবী, চান্তা ইলেনা, লছ ৰিঅ'ছ, ইল অ'ৰ আৰু এছমেৰালেট্ছ আদি প্ৰদেশত বলবৎ হ'ব।

০০০০০০০০০

অহা ৪ জানুৱাৰীৰ পৰা চেন্নাই বন্দৰত একাদশ ভাৰত আন্তঃৰাষ্ট্ৰীয় যুৱ ছেইলিং চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। ১০ জানুৱাৰীলৈ চলিবলগীয়া এই প্ৰতিযোগিতাত ১৩খন দেশৰ ১১৭জন ছেইলৰে ভাগ ল'ব। খেলসমূহ ছেইলিং চেম্পিয়নশ্বিপৰ ইউটিউব চেনেলত লাইভ ষ্ট্ৰিমিংযোগে প্ৰচাৰিত হ'ব।

০০০০০০০০০

**সমাপ্ত**